**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। ভাৰতে সম্ভাব্য পৰমাণু ভাবুকি সন্দৰ্ভত পাকিস্তানৰ সেনাপ্ৰধান আছিম মুনিৰৰ মন্তব্যক কঠোৰ ভাষাৰে গৰিহণা দিছে।

২। জৈৱ ইন্ধন আৰু সেউজ হাইড্ৰ’জেনৰ বৰ্ধিত উৎপাদন আৰু ব্যৱহাৰৰ জৰিয়তে ভাৰত শক্তিৰ ৰপ্তানিকাৰী দেশলৈ পৰিণত হ’ব পাৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২৪ আগষ্টত দিল্লী বিধানসভাত অখিল ভাৰতীয় অধ্যক্ষ সন্মিলন উদ্বোধন কৰিব।

৪। আজি বিশ্ব হস্তী দিৱস। পৃথিৱীত বাস কৰা অন্যতম বৃহৎ এই প্ৰাণীবিধৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে প্ৰতিবছৰৰ ১২ আগষ্টত বিশ্ব হস্তী দিৱস পালন কৰা হয়। *আৰু*

৫। ১৯ আৰু ২২ বছৰ অনূৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত মহিলাৰ ৮০ কিলোগ্ৰাম প্লাছ শাখাত ৰিতিকাৰ সোণৰ পদক জয়েৰে ভাৰতে সফলতাৰে নিজৰ অভিযান সামৰিছে।

০০০০০

ভাৰতে সম্ভাব্য পৰমাণু ভাবুকি সন্দৰ্ভত পাকিস্তানৰ সেনাপ্ৰধান আছিম মুনিৰৰ মন্তব্যক কঠোৰ ভাষাৰে গৰিহণা দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এটা বিবৃতিত কয়, যে ভাৰতে কোনোধৰণৰ পৰমাণু ব্লেকমেইলৰ আগত হাৰ নামানে বুলি ইতিমধ্যে স্পষ্ট কৰি দিছে। তেওঁ কয়, যে নতুন দিল্লীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰি যাব। শ্ৰীজয়ছোৱালে কয়, যে পৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ ভাবুকি দিয়াটো পাকিস্তানৰ বাবে কোনো নতুন কথা নহয়। তেওঁ এনেধৰণৰ মন্তব্য এখন তৃতীয় মিত্ৰদেশৰ ভূমিৰ পৰা কৰাক লৈ অসন্তুষ্টি ব্যক্ত কৰে। বিবৃতিটোত লগতে আন্তঃৰাষ্ট্ৰীয় সমুদায়ৰ এনে মন্তব্যত নিহীত হৈ থকা দায়িত্বহীনতাক সকৰ্ত কৰি দিয়াৰ উপৰি বিশেষকৈ পাকিস্তানী সেনাৰ সন্ত্ৰাসবাদী গোটৰ সৈতে থকা ঘনিষ্ঠ সম্পৰ্ক তথা দেশখনৰ পাৰমাণিক কমাণ্ড আৰু নিয়ন্ত্ৰণক লৈ থকা দীৰ্ঘদিনীয়া উদ্বেগ বৃদ্ধি কৰিব বুলি উল্লেখ কৰা হৈছে।

০০০০০

জৈৱ ইন্ধন আৰু সেউজ হাইড্ৰজেনৰ বৰ্ধিত উৎপাদন আৰু ব্যৱহাৰৰ জৰিয়তে ভাৰত শক্তি ৰপ্তানীকাৰী দেশলৈ পৰিৱৰ্তিত হ'ব পাৰে। পুনেত কালি অনুষ্ঠিত 'বিশ্ব জৈৱ ইন্ধন দিৱস'ত ' জৈৱবৈচিত্ৰ' বা' বায়'ভাৰ্চ' মুকলি কৰি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এইদৰে কয়। শ্ৰী গাডকাৰীৰ মতে, জৈৱইন্ধন আন্দোলনে আমদানি হ্ৰাস কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতি টনকীয়াল কৰিব। তেওঁ লগতে কয় যে কেৱল চেনি উৎপাদনৰ উদ্যোগৰ ওপৰত দীৰ্ঘদিন নিৰ্ভৰ কৰিব নোৱাৰি। কিন্তু চেনি উদ্যোগে ইথানল, জৈৱইন্ধন,আৰু সেউজ হাইড্ৰজেনৰ সন্দৰ্ভত গুৰুত্ব দিয়া উচিত। কৃষি ক্ষেত্ৰৰ পৰা উৎপাদিত সেউজ হাইড্ৰজেনৰ লেখিয়া স্বচ্ছ শক্তি উৎপাদনৰ ক্ষেত্ৰত গৱেষণাৰ বিষয়তো কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে

গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে কৃষি আৱৰ্জনাসমূহক জৈৱইন্ধনলৈ ৰূপান্তৰ কৰাৰ প্ৰয়োজন। এই ইন্ধনত জৈৱ প্ৰাকৃতিক গেছ আৰু জৈৱ বিমান ইন্ধনকো অন্তভূক্ত হ'ব। শ্ৰী গাডকাৰীয়ে উদ্যোগসমূহক পৰাম্পৰাগত উৎপাদনৰ লগতে বিকল্প জৈৱইন্ধন উৎপাদনৰ বাবেও আহ্বান জনায়।

ooooo

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্য বীমা দাবীৰ ধন পৰিশোধ হিচাপে দেশৰ ৩৫ লাখৰো অধিক কৃষকলৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ৩ হাজাৰ ৯০০ কোটি টকা হস্তান্তৰ কৰা হৈছে। ইয়াৰ ভিতৰত ৰাজস্থানৰ ৯ লাখ ৭০ হাজাৰ কৃষকলৈ এহেজাৰ ৪০০ কোটি টকা হস্তান্তৰ কৰা হৈছে। ৰাজস্থানৰ ঝুনঝুনত কালি অনুষ্ঠিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এইদৰে কয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীয়ে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে শস্য বীমা আঁচনিৰ ব্যাপক সংস্কাৰ সাধন কৰিছে, যাৰ ফলত এতিয়া এখন গাঁৱত শস্যৰ ক্ষতি হ'লে কৃষকে বীমাৰ ধন লাভ কৰে। তেওঁ কয়, যে ২০১৬ চনৰ পৰা বৰ্তমানলৈ দেশৰ কৃষকসকলে শস্য বীমাৰ ৰূপত ২ লাখ ১২ হাজাৰ কোটি টকাৰো অধিক ধন লাভ কৰিছে। শ্ৰীচৌহানে কয়, যে কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক তেওঁলোকৰ আয় বৃদ্ধি কৰি সমৃদ্ধিশালী কৰাৰ বাবে অবিৰতভাৱে সিদ্ধান্ত গ্ৰহণ কৰি আছে। অবৈধভাৱে সাৰ আৰু বীজ বিক্ৰী কৰাসকলক সকীয়াই দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতাৰক কৃষকসকলক ৰেহাই দিয়া নহ'ব বুলি উল্লেখ কৰে। এনে লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে শীঘ্ৰে নতুন আইন প্ৰণয়নৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই কৃষকসকলক বৈজ্ঞানিক কৃষি পদ্ধতি অৱলম্বন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মাটি পৰীক্ষা কৰাৰ পাছতহে প্ৰয়োজন অনুযায়ী সাৰ প্ৰয়োগ কৰিব লাগে।

কালিৰ অনুষ্ঠানত ৰাজস্থানৰ ঝুনঝুন, ছিকাৰ, জয়পুৰ, কাথপুতলি, বেহ্‌ৰু, আৰু অন্যান্য জিলাৰ কৃষকসকলৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ বহুসংখ্যক কৃষকে ভাৰ্চুৱেল মাধ্যমেৰে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে মধ্য প্ৰদেশৰ কৃষকসকললৈ এহেজাৰ ১৫৬ কোটি টকা, ৰাজস্থানৰ কৃষকসকললৈ এহেজাৰ ১২১ কোটি, চত্তিশগড়ৰ কৃষকসকললৈ ১৫০ কোটি আৰু অন্যান্য ৰাজ্যৰ কৃষকসকললৈ ৭৭৩ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২৪ আগষ্টত দিল্লী বিধানসভাত অখিল ভাৰতীয় অধ্যক্ষ সন্মিলন উদ্বোধন কৰিব। দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত অধ্যক্ষ হিচাপে ভিট্টলভাই পেটেলে কেন্দ্ৰীয় বিধানসভাৰ অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণৰ শতবাৰ্ষিকী উদযাপন উপলক্ষে দুদিনীয়াকৈ এই সন্মিলনৰ আয়োজন কৰা হৈছে। দিল্লী বিধানসভাৰ অধ্যক্ষ বিজেন্দৰ গুপ্তাই কয়, যে এই সন্মিলনত ভিট্টলভাই পেটেলৰ জীৱন, সংসদলৈ অৱদান তথা স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকাৰ ওপৰত আধাৰিত এখন প্ৰদৰ্শনী, এখন বিশেষ তথ্যচিত্ৰ আৰু এটা স্মাৰক ডাক টীকট মুকলি কৰা হ'ব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই সন্মিলনক সামৰণি অধিৱেশনত সভাপতিত্ব কৰিব। সন্মিলনত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ নাৰায়ণ সিং, কেন্দ্ৰীয় মন্ত্ৰী গজেন্দৰ সিং শেখাৱট আৰু কিৰেন ৰিজিজু, লোকসভাৰ প্ৰাক্তন অধ্যক্ষ মীৰা কুমাৰ, দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শ্ৰীঅমৰনাথ যাত্ৰা নিৰাপদ আৰু সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰাৰ বাবে সকলো সুৰক্ষা বাহিনী, শ্ৰীঅমৰনাথ ধাম পৰিষদ, জম্মু-কাশ্মীৰ প্ৰশাসন আৰু স্বেচ্ছাসেৱী সংগঠনসমূহক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে এই বছৰ ৪ লাখ ১৪ হাজাৰৰো অধিক ভক্তই পবিত্ৰ অমৰনাথ গুহা পৰিদৰ্শন কৰিলে। এই পবিত্ৰ যাত্ৰাক সাফল্যমণ্ডিত কৰি তোলাত সকলোৰে প্ৰচেষ্টা শলাবিগলীয়া বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। তেওঁ লগতে বাবা বৰফানিৰ আশীষ সকলোৰে ওপৰত থাকিব বুলি কামনা কৰে।

০০০০০

আজি বিশ্ব হস্তী দিৱস। পৃথিৱীত বাস কৰা অন্যতম বৃহৎ এই প্ৰাণীবিধৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে প্ৰতিবছৰৰ ১২ আগষ্টত বিশ্ব হস্তী দিৱস পালন কৰা হয়। তামিলনাডুৰ কইম্বাটুৰত আজি এই দিৱস ৰাষ্ট্ৰীয়ভাৱে উদযাপন কৰা হ'ব। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে তামিলনাডু বন বিভাগৰ সহযোগত এই ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰিছে। কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দৰ যাদৱে উদ্বোধন কৰিবলগীয়া এই অনুষ্ঠানত বন বিষয়া, নীতি নিৰ্মাতা, বন্যপ্ৰাণী বিশেষজ্ঞ আৰু নাগৰিক সমাজৰ প্ৰতিনিধিসকলে হস্তী সংৰক্ষণৰ বিভিন্ন দিশসমূহ আলোচনা কৰাৰ উপৰি হাতী-মানুহৰ সংঘাত প্ৰতিৰোধৰ উপায় সন্দৰ্ভতো আলোচনা কৰিব। উল্লেখযোগ্য যে বিশ্বৰ মুঠ বন্যহস্তীৰ প্ৰায় ৬০ শতাংশই ভাৰতত পোৱা যায়। দেশত ৩৩ খন হস্তী সংৰক্ষিত বনাঞ্চল আৰু ১৫০টা হস্তী কৰিডৰ আছে।

০০০০০

**নিৰ্বাচন আয়োগে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন সন্দৰ্ভত ৰাজনৈতিক দলসমূহৰ বিশেষকৈ কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধী আৰু আৰ জে ডিৰ দাবী খাৰিজ কৰিছে। সামাজিক মাধ্যমত ধাৰাবাহিকভাৱে কৰা তথ্য পৰীক্ষাত নিৰ্বাচনী সংস্থাটোৱে কয় যে বিশুদ্ধ নিৰ্বাচনী তালিকাই গণতন্ত্ৰ শক্তিশালী কৰে। সংস্থাটোৱে এছ আই আৰৰ সৈতে জড়িত সকলো নথিপত্ৰৰ লগতে গনণা পৰ্য্যায়ৰ তথ্যও শ্বেয়াৰ কৰিছে। আয়োগে বিহাৰৰ এছ আই আৰ সন্দৰ্ভত দৈনিক বুলেটিনসমূহো শ্বেয়াৰ কৰিছিল। নিৰ্বাচন আয়োগে কয় যে বিহাৰত এছ আই আৰ সম্পৰ্কত নিৰ্বাচকৰ পৰা লাভ কৰা আপত্তিসমূহ নিষ্পত্তি কৰা হৈছে।**

০০০০০

১৯ আৰু ২২ বছৰ অনূৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত মহিলাৰ ৮০ কিলোগ্ৰাম প্লাছ শাখাত ৰিতিকাৰ সোণৰ পদক জয়েৰে ভাৰতে সফলতাৰে নিজৰ অভিযান সামৰিছে। বেংকক অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতে দুয়োটা বয়সৰ শাখাতে মুঠ ২৭টা পদক অৰ্জন কৰে। ১৯ বছৰ অনূৰ্ধ দলটোৱে তিনিটা সোণ, ৭টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৪টা পদকেৰে প্ৰতিযোগিতাত দ্বিতীয় স্থান দখল কৰে। ভাৰতীয় দলটো কেৱল এটা সোণৰ পদকৰ বাবে উজবেকিস্তানৰ পিছ পৰি থাকে। আনহাতে ২২ বছৰ অনূৰ্ধ দলটো এটা সোণ, চাৰিটা ৰূপ আৰু ৮টা ব্ৰঞ্জসহ মুঠ ১৩টা পদকেৰে চতুৰ্থ স্থানত থাকে।

ইয়াৰ পূৰ্বে চলিত বৰ্ষতে ভাৰতৰ ১৫ আৰু ১৭ বছৰ অনূৰ্ধ দল দুটাই এছিয়ান চেম্পিয়নশ্বিপত মুঠ ৪৩টা পদক লাভ কৰিছিল।

০০০০০

চীনৰ ছেংদুত অনুষ্ঠিত বিশ্ব গেমছ ২০২৫ত ৫২ কিলোগ্ৰাম শাখাৰ ফাইনেলত আজি সন্ধিয়া ভাৰতৰ নম্ৰতা বাট্ৰাই চীনৰ মেংয়ুৰে চেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৫ বজাত আৰম্ভ হ'ব। নম্ৰতাই কালি ফিলিপিনছৰ ক্ৰিজান ফেইথ কোল্লাদ'ক ২-০ ফলাফলত পৰাস্ত কৰি

ইতিহাস ৰচনা কৰে। এই জয়ৰ লগে লগে ভাৰতে বিশ্ব গেমছ্ৰ উশ্বুত প্ৰথমবাৰৰ বাবে পদক জয় নিশ্চিত হ'ল। প্ৰতিযোগিতাত ইয়াৰ পূৰ্বে ভাৰতৰ ঋষভ যাদৱে পুৰুষৰ আৰ্ছাৰীত ব্ৰঞ্জৰ পদক লাভ কৰি ব্যক্তিগত শিতানত দেশৰ হৈ প্ৰথমটো পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত